# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে আজি মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে বাগৰি বনাঞ্চলৰ প্ৰৱেশ দ্বাৰৰ ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখনৰ ২০২৪-২৫ পৰ্যটন বৰ্ষ আনুষ্ঠানিকভাৱে মুকলি কৰে। সমান্তৰালকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ ক'হৰা আৰু বুঢ়া পাহাৰ বনাঞ্চলো পৰ্যটকৰ বাবে মুকলি হয়। বৰ্তমান পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা কৰা হৈছে। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পাটোৱাৰীৰ লগতে আবকাৰী আৰু মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পও ২০২৪-২০২৫ পৰ্যটন বৰ্ষৰ বাবে মুকলি হয়। মঙলদৈ বণ্য প্ৰাণী সংমণ্ডল বিষয়াই ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে আনুষ্ঠানিক ভাৱে মুকলি কৰে।

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

ooooo

তিনিচুকীয়া জিলা গঠনৰ আজি ৩৫ বছৰ সম্পূৰ্ণ হৈছে। ১৯৮৯ চনৰ ১ অক্টোবৰত পূৰ্ণ পৰ্যায়ৰ জিলা হিচাপে তিনিচুকীয়াই স্বীকৃতি লাভ কৰিছিল। ১৯৭১ চনলৈকে অবিভক্ত লখিমপুৰ জিলাৰ অন্তৰ্গত হৈ থকা তিনিচুকীয়া পৰৱৰ্তী সময়ত অবিভক্ত ডিব্ৰুগড় জিলাৰ অন্তৰ্ভুক্ত হৈছিল। প্ৰশাসনে এইবাৰ জিলাখনৰ বৰগুড়িত থকা আই টি আই খেলপথাৰত জিলা দিৱসৰ আয়োজন কৰিছে। আজি জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে শদিয়া মহকুমা প্ৰশাসন, আৰক্ষী প্ৰশাসন, স্বাস্থ্য, ক্ৰীড়া আদি বিভাগৰ উদ্যোগত চাইকেল সমদল উলিওৱা হয়। এই সমদলত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু জ্যেষ্ঠ নাগৰিক অংশগ্ৰহণ কৰে।

ooooo

জাগীৰোডৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযূষ হাজৰিকা নেতৃত্বত আজি জাগীৰোডৰ গাঁও পঞ্চায়তৰ সন্মুখৰ পৰা বিজেপিয়ে এটা প্ৰতিবাদী সমদল উলিয়ায়। এই প্ৰতিবাদী সমদলেৰে বিজেপিয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ পুত্ৰ তথা কংগ্ৰেছ নেতা প্ৰিয়াংক খৰ্গেই কৰা অসম বিৰোধী মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পক লৈ কংগ্ৰেছ নেতাগৰাকীয়ে অসমক হেয় প্ৰতিপন্ন কৰি মন্তব্য কৰা বুলি বিজেপিয়ে অভিযোগ ঘূৰি আহিছে।

০০০০০

আজি বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ কেইবাখন জিলাতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত পবিতৰা হাটত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ আয়ুক্তই মৰিগাঁও নগৰৰ একাংশ জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জ্ঞাপন কৰে।

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত তথা জিলা মহিলা আৰু শিশু বিকাশ বিভাগ আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত জিলা পৰ্যায়ত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদযাপন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এই অনুষ্ঠানত আয়ুক্তগৰাকীয়ে উপস্থিত জ্যেষ্ঠ নাগৰিকসকলক এই বিশেষ দিনটোৰ ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকে সন্মুখীন হোৱা অসুবিধা আৰু সমস্যাসমূহৰ বিষয়ে বিস্তৃতভাৱে বুজ লৈ সেই সমূহৰ সমাধানৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰো আশ্বাস প্ৰদান কৰে।

আনহাতে তিনিচুকীয়া জিলাত বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থাৰ উদ্যোগত স্থানীয় পেন্সনাৰ ভৱনত অঞ্চলটোৰ তিনিগৰাকী সন্মানীয় জ্যেষ্ঠ নাগৰিক সমাজকৰ্মী ডাঃ নৰেশ্বৰ দত্ত, ডাঃ টংকেশ্বৰ তামুলী আৰু অপৰ্ণা দেৱীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বন্যপ্ৰাণী আৰু পৰিৱেশ- সংকট আৰু সমাধান বিষয়ক এখন আলোচনা সভাৰো আয়োজন কৰা হয়।

০০০০০

তেজপুৰত আজি কলিয়াভোমোৰা পৰ্যটনক্ষেত্ৰ পৰ্যটকৰ বাবে মুকলি কৰা হয়। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ আৰু বুঢ়া লুইতৰ মনোমোহা দৃশ্যৰ লগতে ৰিভাৰ ড'লফিন বা শিহু দেখা পোৱা এই স্থানে পৰ্যটকক আকৰ্ষণ কৰি আহিছে। কলিয়াভোমোৰা দলঙৰ তলত আজি এই পৰ্যটনক্ষেত্ৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই উদ্বোধন কৰে। এই স্থানত নৈসৰ্গিক দৃশ্য উপভোগ কৰাৰ লগতে ঐতিহাসিক তথা গৱেষণাৰ সমলো পোৱা যাব। সপ্তাহৰ আটাইকেইটা দিনতেই পৰ্যটকৰ বাবে এই পৰ্যটনক্ষেত্ৰ খোলা থাকিব।

০০০০০

উচ্চতম ন্যায়ালয়ে শাস্তিমূলকভাৱে ব্যৱস্থা হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বাসগৃহ বিনষ্ট কৰা পদক্ষেপৰ বিৰুদ্ধে দাখিল কৰা আবেদন সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছে। ন্যায়াধীশ বি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে কয় যে, কোনো এজন লোক অভিযুক্ত নাইবা অপৰাধী হোৱা বাবেই তেওঁৰ বাসগৃহ ধ্বংস কৰিব পৰা নাযায়। বুলড'জাৰ জাষ্টিচ বুলি আখ্যা দিয়া এই ব্যৱস্থাৰ সন্দৰ্ভত দুয়ো পক্ষৰ শুনানি গ্ৰহণ কৰি বিচাৰপীঠখনে কয় যে, অকৰ্তৃত্বশীলভাৱে বা ৰাজহুৱা স্থানত কৰা দখল উচ্ছেদ কৰিব পৰা যাব যদিও কোনো অভিযুক্তৰ বাসগৃহ আদালতৰ অনুমতি অবিহনে ধ্বংস কৰিব পৰা নাযাব। বিচাৰপীঠখনে লগতে সকলো সম্প্ৰদায় নিৰ্বিশেষে প্ৰযোজ্য হোৱাকৈ এইক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আদালতে আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্মাণ বা বাসগৃহ ভাঙি পেলোৱা উচিত নহয় বুলি ১৭ ছেপ্তেম্বৰত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰিছিল। আনহাতে অকৰ্তৃত্বশীল নিৰ্মাণৰ ক্ষেত্ৰতো নিৰ্দিষ্ট সম্পত্তি ততালিকে ধ্বংস কৰাৰ পৰিৱৰ্তে কমেও ১০-১৫ দিনৰ সময় দিয়াৰ কথা বিবেচনা কৰা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে এনেধৰণৰ নিৰ্মাণকাৰ্য বা বাসগৃহ ভাঙি পেলোৱাৰ বাবে জাননী দিয়াৰ তথ্য ৰখাৰ বাবে এটা অনলাইন প'ৰ্টেল মুকলি কৰাত গুৰুত্ব দিছে।

০০০০০

সমাপ্ত